অধ্যায় ৫ ঃ অসমীয়া লোকসাহিত্য — ২

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অসমীয়া লোকসাহিত্য

৫.৩.১ লোকগীত

৫.৩.২ ফকৰা-যোজনা, প্রবাদ-প্রবচন, সাঁথৰ

৫.৩.৩ সাধুকথা

৫.৪ ডাকৰ বচন

৫.৫ মন্ত্র-সাহিত্য

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া মৌখিক সাহিত্যৰ অন্তর্গত লোকগীত, ফকৰা-যোজনা, প্রবাদ-প্রবচন, সাঁথৰ, সাধুকথা আদিৰ বিষয়ে ধাৰণা লাভ কৰিব
- ডাকৰ বচন আৰু অসমীয়া মন্ত্র সাহিত্যৰ বিষয়ে সামগ্রিকভাৱে জ্ঞান অর্জন কৰিব।

৫.২ পৰিচয়

ইতিমধ্যে আপুনি লোকসাহিত্যৰ সংজ্ঞা, শ্রেণী বিভাজন আৰু বৈশিষ্ট্য সম্পর্কে কিছু কথা ইয়াৰ পূর্বৱর্তী অধ্যায়টোত অধ্যয়ন কৰিলে। এতিয়া আমি এই অধ্যায়টিত আমি অসমীয়া লোকসাহিত্য বা মৌখিক সাহিত্যৰ শ্রেণী বিভাজন কৰি বিভাগ কেইটাৰ বিষয়ে চমুকৈ অধ্যয়ন কৰিম। লগতে অসমীয়া লোকসাহিত্যৰ বিশেষ অংগস্বৰূপ ডাকৰ বচন আৰু মন্ত্র-সাহিত্যৰ বিষয়ে বহলাই অধ্যয়ন কৰিম। পৰৱর্তী অধ্যায়টিতহে লিখিত অসমীয়া সাহিত্য সম্পর্কে আলোচনা কৰা যাব। এই অধ্যায়টিৰ অধ্যয়নে আপোনাক অসমীয়া লোকসাহিত্যৰ বিবিধ উপাদানৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰিব।

৫.৩ অসমীয়া লোকসাহিত্য

বিশ্বৰ আন আন লোকসাহিত্যৰ দৰে অসমীয়া লোকসাহিত্যও অতি প্ৰাচীন কালৰে পৰা ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। আন লোকসাহিত্যৰ দৰে অসমীয়া লোকসাহিত্যৰো ৰচনাকাল সম্পৰ্কে খাটাংকৈ কোৱাটো টান। কিয়নো অতি প্ৰাচীন কালৰেপৰা গীত-পদবোৰ ৰচিত হৈ আহিলেও সময়ৰ হাত-বুলনিত তাৰ ভাষাৰো পৰিৱৰ্তন ঘটিছে। অৱশ্যে, তাৰ মাজতে বুৰঞ্জীৰ সাঁচ থকা আৰু নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ থকা গোটাচেৰেক সাহিত্যৰ আনুমানিক সময় নিৰ্ণয় কৰিব পাৰি। অসমীয়া জাতীয় জীৱনৰ পৰিচয় দাঙি ধৰিব পৰাকৈ অসমীয়া লোকসাহিত্যৰ ভঁৰাল বিভিন্ন উপকৰণেৰে ঠাহ খাই আছে। ইতিমধ্যে কৈ অহা হৈছে যে, বিষয়বস্তু আৰু ৰচনা-ৰীতিৰ ফালৰ পৰা অসমীয়া লোকসাহিত্যক প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি— লোকগীত, ফকৰা-যোজনা, প্ৰবাদ, পটন্তৰ, সাঁথৰ আদি আৰু সাধুকথা। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৫.৩.১ লোকগীত

আদিম মানৱৰ ব্যক্তিগত আৰু সামূহিক ভাব-অনুভূতিৰ প্ৰকাশক হিচাপে যিবোৰ গীত অতি প্ৰাচীন কালৰেপৰা নিৰক্ষৰ জনসাধাৰণৰ মাজত ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে, সেয়াই লোকগীত। ই চহা প্ৰাণৰ মুক্ত পৰিস্ফুৰণ আৰু আদিম তথা মৌলিক ভাবাৱেগৰ অকৃত্ৰিম প্ৰকাশ। মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ কঠীয়াতলীতেই ইয়াৰ জন্ম আৰু বিকাশ সাধন হৈছে। যুগৰ সীমা চেৰাই এই গীতবোৰ মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে আৰু এনেদৰে আহোঁতে সময়ৰ হাত বুলনিত তাৰ ভাষাৰো পৰিৱৰ্তন সাধিত হৈছে। এই লোকগীতবোৰ গঞা সমাজৰ সামূহিক সৃষ্টিহে, ব্যক্তি বিশেষৰ নহয়। সেয়েহে ইয়াত ৰচকৰ নাম পোৱা নাযায়। তদুপৰি বিভিন্ন যুগৰ বিবিধ অভিজ্ঞতাৰ সমাহাৰত এই গীতবোৰৰ বিষয়বস্তু আৰু প্ৰকাশভংগীয়ে এক বৰ্ণাঢ্য ৰূপ লাভ কৰিছে। সেয়েহে ইয়াক বিষয়বস্তুৰ ফালৰপৰা তিনিটা বহল ভাগত ভগোৱা হৈছে—

- অনুষ্ঠানমূলক
- আখ্যানমূলক
- বিবিধ বিষয়ক।

- *অনুষ্ঠানমূলক গীত ঃ* অনুষ্ঠানমূলক গীতবোৰ সাধাৰণতে বিভিন্ন উৎসৱ-অনুষ্ঠানক কেন্দ্ৰ কৰি গোৱা হয়। এনে উৎসৱ-অনুষ্ঠানবোৰৰ কিছুমান ধৰ্মীয় বা ভক্তিমূলক আৰু আন কেতবোৰ ধৰ্মীয় ক্ৰিয়া কাণ্ডৰ পৰা মুক্ত। সেইফালৰ পৰা এই গীতসমূহক ভক্তি নিৰপেক্ষ আৰু ভক্তিপ্ৰধান বা ভক্তিমূলক হিচাপে দুটা ভাগত ভগাব পাৰি।

  ভক্তি নিৰপেক্ষ গীতবোৰৰ ভিতৰত বিহুগীত, বনগীত, হুঁচৰি, বিয়ানাম, ভেকুলী বিয়াৰ গীত আদিয়েই প্ৰধান। বিহুগীতবোৰ অসমৰ জাতীয় উৎসৱ 'ৰঙালী বিহু'ৰ

সময়ত নৃত্যৰ লগত গোৱা হয়। গীতবোৰত অসমৰ সামাজিক, প্ৰাকৃতিক আৰু ধৰ্মবিষয়ক চিত্ৰ থাকিলেও প্ৰেমজনিত আশা-আকাংক্ষা, বিৰহ-বেদনা আদিয়েহে প্ৰাধান্য পাইছে। হুঁচৰি গীত আৰু বনগীত— বিহুগীতৰেই দুটা ভাগ। হুঁচৰি গীত আশীৰ্বাদসূচক আৰু মাৰ্জিত ধেমালিৰে পূৰ্ণ। বনগীতত উন্মাদ কামনাৰ প্ৰকাশ আছে। কল্পনাৰ বিলাস আৰু উপমাৰ বৈচিত্ৰ্য বিহুগীতবোৰৰ সাহিত্যিক সৌন্দৰ্যৰ আকৰ। যেনে—

ঘৰতো নবহে মন সমনীয়া, পথাৰতো নবহে মন
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিবৰ মন।

ইয়াত কমোৱা তুলাৰ লগত প্ৰেম-ব্যাকুল চঞ্চল মনৰ তুলনা কৰা হৈছে।

জানি থোৱা ভাল



অসমৰ জনজাতিসকলৰ মাজতো বিভিন্ন নামেৰে বিহু উৎসৱ পালন কৰা হয়। বড়োসকলৰ 'বৈশাগু', ৰাভাসকলৰ 'বায়খো', মিছিংসকলৰ 'আলি-আয়ে-লৃগাং', কাৰ্বিসকলৰ 'ৰংখেৰ' আদি উৎসৱ। এই উৎসৱসমূহতো বিভিন্ন নৃত্য-গীতৰ প্ৰচলন আছে।

তেনেদৰে, বিয়া নামবোৰ অসমীয়া বিবাহ-উৎসৱৰ বিভিন্ন উপলক্ষ্যত গোৱা হয়। পানী-তোলা, দৰা-কইনাক গা-ধুউৱা, সুৱাগ-তোলা, দৰা-আদৰা আদি গীতবোৰ গহীন আৰু ৰুচিপূৰ্ণ। আন এক শ্ৰেণীৰ বিয়ানামত দৰা বা কইনা-ঘৰীয়াক ঠাট্টা-মস্কৰা কৰি উপভোগ কৰা হয়। এনে গীতক 'যোৰানাম বা 'খিচা-গীত' বোলে। যেনে—

তালপাতৰ বিচনী
দৰাঘৰৰ মানুহকেইটাৰ একেবাৰে ফুটনি। (যোৰানাম)

সেইদৰে, ভক্তিমূলক গীতবোৰো বিভিন্ন কাল্পনিক আৰু উপাস্য দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে সৃষ্টি হৈছে। এই গীতবোৰ হ'ল — আইনাম, সুবচনীৰ নাম, জগন্নাথৰ নাম, দেৱীৰ নাম, আউলা পূজাৰ নাম, গোসাঁনীৰ নাম, লখিমী সবাহৰ গীত, অপেচৰী সবাহৰ গীত, গোসাঁই নাম, মনসা পূজাৰ গীত, চ'ৰাব্ৰতৰ গীত আদি। এই গীতবোৰ নিৰ্দিষ্ট কেতবোৰ উপলক্ষ্যতহে গোৱা হয়। যেনে— আই বা বসন্ত ৰোগ হ'লে শীতলা আইক স্তুতি কৰি আইনাম গালে ৰোগ আৰোগ্য হয় বুলি বিশ্বাস কৰা হয়। যথা—

গধূলিতে আই আহে পদুলিলৈ চাই
মহামায়া আই আহে সোণৰ বংশী বাই। (আইনাম)

এইবোৰৰ উপৰি দেহবিচাৰৰ গীত, টোকাৰি গীত, হাইদাং গীত, জিকিৰ আৰু জাৰী আদি শৰীৰ আৰু সংসাৰতত্ত্ব সম্পৰ্কীয় ভক্তিমূলক গীত। এনে গীতত

সংসাৰক গহন বন বা সাগৰৰ লগত আৰু শৰীৰক কেতিয়াবা নাও, কেতিয়াবা ঘৰৰ লগত তুলনা কৰা হৈছে। জীৱনটো যে অনিত্য, দেহৰ ভিতৰত চৈধ্য ব্ৰহ্মাণ্ড আছে আৰু হৰি নামেই যে জীৱৰ মূলধন, এনেবোৰ তত্ত্ব এই শ্ৰেণীৰ গীতত পোৱা যায়। যেনে—

কহয় মাধৱ শুনা বন্ধু সৱে এৰিও বিষয় ধান্দা।
ৰাম-নাম ধন অমূল্য ৰতন হৰিনাম গলে বান্ধা।। (দেহবিচাৰৰ গীত)

সেইদৰে আজান পীৰৰ নামত প্ৰচলিত জিকিৰ আৰু জাৰী গীতসমূহো প্ৰধানকৈ ভক্তিমূলক আৰু ই অসমীয়া ভাষাৰ অমূল্য সম্পদ।

➢ *আখ্যানমূলক গীত ঃ* এই শ্ৰেণীৰ গীতৰ মাজেদি একোটি আখ্যান বা কাহিনী বৰ্ণনা কৰা হয়। সেয়ে ইয়াক কাহিনী-গীত বা ***মালিতা*** (Ballad) বোলে। এনে গীতত বীৰত্বব্যঞ্জক বা আদি ৰসাত্মক, দুঃসাহসিক বা অতিপ্ৰাকৃত কাহিনী আদি বৰ্ণিত হয় যদিও কৰুণ ৰসেই এনে গীতৰ প্ৰধান সুৰ। বিষয়বস্তুৰ ফালৰপৰা আখ্যানমূলক গীতক তিনি শ্ৰেণীত ভগাব পাৰি— বুৰঞ্জীমূলক, কিংবদন্তি বা জনশ্ৰুতিমূলক আৰু কাল্পনিক। বুৰঞ্জীমূলক মালিতাবোৰৰ ভিতৰত নাহৰৰ গীত, চিকণ সৰিয়হৰ গীত, জয়মতী কুঁৱৰীৰ গীত, বৰফুকনৰ গীত, গৌৰীনাথ সিংহৰ গীত, হৰদত্ত বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত আদিয়েই প্ৰধান। ইয়াৰ ভিতৰত 'নাহৰৰ গীত' প্ৰাচীনতম আৰু 'মণিৰাম দেৱানৰ গীত' একেবাৰে অৰ্বাচীন। কৰুণ ৰসেৰে সিক্ত 'মণিৰাম দেৱানৰ গীত'ত ঐতিহাসিক ব্যক্তি (মণিৰাম দেৱান) জনাৰ প্ৰতি সহানুভূতি প্ৰকাশ পাইছে। যথা —

চালত মলঙিলে চালদৈ কোমোৰা
টেকেলিত মলঙিলে লোণ,
মাটিত মলঙিলে মণিৰাম দেৱান ঐ
নেকান্দি থাকিব কোন? (মণিৰাম দেৱানৰ গীত)

সেইদৰে, কিংবদন্তি বা জনশ্ৰুতিৰ আলমত গঢ় লোৱা মালিতাবোৰ হ'ল মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, জনাগাভৰুৱ গীত, ময়নামতীৰ গীত, কমলা কুঁৱৰীৰ গীত আদি। এই গীতবোৰৰ মাজেদি মনোৰম কাহিনী একোটি বৰ্ণিত হোৱাৰ লগতে আহোম ৰাজত্বৰ আভাসো স্পষ্ট ৰূপে দেখা যায়। যেনে—

আকাশী ঘোঁৰাতে উঠি ফুলকোঁৱৰে
পিতাকৰ দেশকে এৰে,
মনিচে নমনে দেৱেও নমনে
বিজুলী সঞ্চাৰে চলে। (ফুলকোঁৱৰৰ গীত)

আকৌ, প্ৰেমবিহ্বলা নায়িকাৰ বিৰহ-বেদনাৰে সিক্ত কৰুণ ৰসাত্মক গীত শ্ৰেণীকেই বাৰমাহী গীত বোলে। অসমীয়া সমাজত প্ৰচলিত বাৰমাহী গীতসমূহৰ

মালিতা (Ballad) ঃ অভিধান মতে 'লেখাৰিকৈ বৰ্ণোৱা পদ বা গীত'। অসমীয়া মালিতা শব্দটো 'মালা' শব্দৰপৰা সৃষ্টি হৈছে। ফুলৰ মালাৰ দৰে ধাৰাবাহিকভাৱে গাঁথি থোৱা কাহিনীযুক্ত গীতি কবিতাই হ'ল মালিতা বা বেলাড।

ভিতৰত কন্যা বাৰমাহী, ৰাধা বাৰমাহী, সীতা বাৰমাহী, দুবলা শান্তিৰ গীত, মধুমতীৰ গীত, জয়ধন বণিয়াৰ গীত আদি উল্লেখযোগ্য। এই গীতবোৰত প্ৰাকৃতিক উপাদানৰ সমাৱেশ অভিনৱ; যেনে—

ব'হাগৰ মাহতে কুলিয়ে কৰে ৰাৱ।
কুলিৰ কান্দন শুনি নুজুৰায় গাৱ।। (মধুমতীৰ গীত)



জানি থোৱা ভাল

বাৰমাহী গীতৰ ঐতিহ্য অতি প্ৰাচীন। কালিদাসৰ *ঋতু সংহাৰৰ* পৰাই ইয়াৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। বিভিন্ন ঋতুত প্ৰতিভাত প্ৰকৃতিৰ বিচিত্ৰ সৌন্দৰ্য আৰু যিবোৰৰ প্ৰভাৱত বিৰহিণী নাৰীয়ে বছৰৰ বাৰটা মাহত প্ৰবাসী স্বামীৰ অভাৱ কেনেদৰে অনুভৱ কৰে তাৰ সুন্দৰ বৰ্ণনা বাৰমাহী গীতত পোৱা যায়।

- *বিবিধ বিষয়ক গীত ঃ* বিবিধ বিষয়ক গীতবোৰৰ ভিতৰত ধাইনাম বা নিচুকনি গীত, নাওখেলৰ গীত, গৰখীয়া গীত, কুঁহিয়াৰ পেৰা গীত, ধান বনা গীত, গছকটা গীত আদিয়েই প্ৰধান। ইয়াৰে কিছুমান গীত বিভিন্ন কৰ্মক কেন্দ্ৰ কৰি সৃষ্টি হৈছে বাবে সেইবোৰক কৰ্মবিষয়ক গীত বুলিও কোৱা হয়। শ্ৰম-লাঘৱ আৰু কাম কৰোঁতে আনন্দ লাভৰ উদ্দেশ্যেই এই ধৰণৰ গীত গোৱা হয়। শিশুমনৰ আমনি ভাঙি টোপনিৰ বাণ মাৰিবলৈ প্ৰয়াস কৰোঁতেই নিচুকনি গীতৰ জন্ম। একেদৰে আনবোৰ গীতো প্ৰত্যেক কৰ্মৰে আনুষঙ্গিক গীত। উদাহৰণস্বৰূপে—

শিয়ালী এ নাহিবি ৰাতি,
তোৰে কাণ কাটি লগামে বাতি। (নিচুকনি গীত)

বিবিধ বিষয়ক গীতসমূহৰ ভিতৰত উল্লেখযোগ্য আন এক শ্ৰেণীৰ গীত হ'ল— জুনা গীত। এই শ্ৰেণীৰ গীতসমূহ লঘু আৰু পাতল হাস্যৰসেৰে সমৃদ্ধ হোৱা বাবে ই সহজতে চহা প্ৰাণক আকৰ্ষিত কৰে। এই গীতবোৰক কৰ্মবিষয়ক গীতৰ শ্ৰেণীতো থ'ব পাৰি। এই গীতবোৰ হ'ল— পৰুৱাৰ জুনা, তাঁতীৰ জুনা, কপাহৰ জুনা, নাঙলৰ জুনা, চাহ পুৰাণৰ গীত, বানপানীৰ গীত, পচলাৰ গীত আদি। উদাহৰণস্বৰূপে —

শংকৰে ৰচিলা কাপোৰ জুনা।
সমস্ত সমাজে কাণপাতি শুনা।। (তাঁতীৰ জুনা)

এই শ্ৰেণীৰ গীতবোৰত কোনো এটা বিষয়ৰ বিৱৰণ দাঙি ধৰা হয়। গীতবোৰৰ প্ৰকাশভঙ্গী কৌতুকপূৰ্ণ। ৰচকৰ উপস্থিত বুদ্ধি আৰু বৰ্ণনা নৈপুণ্যৰ পৰিচয় এই গীতবোৰে সুন্দৰভাৱে বহন কৰে।

৫.৩.২ ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাঁথৰ

লোকগীতৰ দৰে ফকৰা-যোজনা, প্ৰবাদ, সাঁথৰ আদিও অসমীয়া লোকসাহিত্যৰ বহুমূলীয়া সম্পদ। এইবোৰ বিভিন্ন কালৰ, বিভিন্ন ৰুচি আৰু অভিজ্ঞতাসম্পন্ন লোকৰ সূক্ষ্মতম অভিব্যক্তি। এইবোৰৰ লগত অসমীয়া জাতীয় জীৱনৰ নিবিড় সম্বন্ধ আছে। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, কৃষি, শিল্প, গৃহস্থালি, আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে সাৰুৱা উপদেশ এইবোৰত সন্নিৱিষ্ট হৈছে।

ফকৰা-যোজনাত এটা কথা বুজাবৰ নিমিত্তে আন এটা কথাৰ লগত তুলনা বা ৰিজনি দিয়া হয়। ফকৰা-যোজনাক পটন্তৰো বোলে। ই হাঁহিৰ খোৰাক যোগোৱাৰ লগতে বুদ্ধি আৰু প্ৰজ্ঞাৰো পৰিচয় দিয়ে; যেনে —

নদীৰ বন নাই খান্দে আৰু পোতে
বিষয়াৰ বন নাই ভাঙে আৰু পাতে। (ফকৰা-যোজনা)

আকৌ, যিবোৰ যোজনাই একোটা পাৰমার্থিক অর্থ প্ৰকাশ কৰে সেইবোৰক কোৱা হয় 'ভকতীয়া ফকৰা'। এইবোৰৰ বাহ্যিক অর্থ প্ৰধান নহয়, গূঢ়ার্থহে প্ৰধান কথা। যেনে—

কাপোৰত জুই বান্ধি ঘৰে লই যাই।
হাত মেলি চন্দ্ৰ ধৰে বাপৰ বেটা সেই।। (ভকতীয়া ফকৰা)

(অর্থাৎ— যিজনে জ্ঞানেৰে চঞ্চল মনক দমন কৰি আনন্দ মনে থাকে, তেওঁ মৃত্যুৰ পিছত সেই পুণ্যৰ ফলত মুক্তিলাভ কৰে।)

এনে বহুত ফকৰা ভকতীয়া লোকৰ মুখে মুখে চলি আহিছে; পুৰণি পুথি, বিশেষকৈ চৰিত পুথিত এনে ধৰণৰ অসংখ্য ফকৰা পোৱা যায়।

সেইদৰে, প্ৰবাদ-প্ৰবচন বাক্যবোৰো 'দহৰ জ্ঞান একৰ বাণী'। এইবোৰৰ ৰচনাকাল সম্পর্কে বিশেষ একো জনা নাযায় যদিও তলৰ প্ৰবচনটো আহোম যুগৰ সৃষ্টি বুলি ঠাৱৰ কৰিব পাৰি —

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ
শলগুৰিৰ আঘোণী বাই;
তিনিৰো ডিঙিত ধৰি তিনিও কান্দিলে
সম্বন্ধত একোটি নাই। (প্ৰবচন)

কিছুমান প্ৰবাদ বা প্ৰবচন একোটি কাহিনীক আশ্ৰয় কৰিও সৃষ্টি কৰা হয়। তদুপৰি, কিছুমানত ৰসিকতা আৰু উপদেশো থাকে।

এইবোৰৰ উপৰি সাঁথৰো অতি প্ৰাচীন কালৰে পৰা অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। ভাৰতবর্ষৰ বৈদিক সাহিত্যতেই ইয়াৰ সাঁচ পোৱা গৈছে। সাঁথৰ হৈছে কোনো বস্তুৰ প্ৰকৃত নাম সহজে ক'ব নোৱাৰাকৈ দিয়া আওপকীয়া বর্ণনা। এইবোৰত পাণ্ডিত্যতকৈ

বুদ্ধিমত্তাৰহে বেছি পৰিচয় পোৱা যায়। সাধাৰণতে সদায় দেখি-শুনি অহা বস্তুবোৰৰ নাম লৈয়ে সাঁথৰ ৰচনা কৰা হৈছে। জনসাধাৰণৰ কাৰণে সাঁথৰ বৰ আমোদজনক। সাঁথৰত দুশাৰী পদ থাকে। প্ৰতিটো পদৰ শেষৰ আখৰৰ মিল থাকে। যেনে —

ক আইটি টপৰাই।

কাটি নিলে বাঢ়ি যায়।। *(সাঁথৰ)*

এই সাঁথৰটিৰ উত্তৰ হ'ল— সূতা। এইবোৰে অসমীয়া লোকসাহিত্যৰ পুষ্টি সাধনত প্ৰভূত বৰঙণি যোগাই আহিছে।



চিন্তা-চৰ্চা কৰক — ৫.১

অসমীয়া লোকসমাজত প্ৰচলিত বিবিধ ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাঁথৰসমূহ একো একোখন তালিকাত অন্তৰ্ভুক্ত কৰি উলিয়াওক। লগতে যিবোৰ প্ৰবাদ বা প্ৰবচন একোটি কাহিনীক আশ্ৰয় কৰি সৃষ্টি হৈছে সেয়া জানিবলৈ চেষ্টা কৰক।

.....

.....

.....

৫.৩.৩ সাধুকথা

মৌখিক সাহিত্যৰ অন্য এক প্ৰধান শাখা হ'ল 'সাধুকথা'। এই সাধুকথাবোৰ জনজীৱনৰ প্ৰতিচ্ছবি। ই যেন সমাজৰ উৎপত্তি, বিকাশ, বিস্তৃতি আৰু বিৱৰ্তনৰ অলিখিত ইতিহাস। ইয়াৰ মাজত জনজীৱনৰ লোকবিশ্বাস, কল্পনা, চিন্তা আৰু আদৰ্শ সঞ্চিত হৈ থাকে। যুগৰ সীমা চেৰাই এই সাধুবোৰ মানুহৰ মুখে মুখে প্ৰচাৰিত হৈ আহিছে। সাধুকথাৰ এটা বিশিষ্ট লক্ষণ হ'ল — এইবোৰ পৰম্পৰাগত। এজনৰ পৰা আন এজনলৈ, এটা যুগৰ পৰা এটা যুগলৈ, এখন সমাজৰ পৰা আন এখন সমাজলৈ ই বাগৰি আহে। অসমীয়া সাহিত্যতো এই সাধুকথাৰ ঐতিহ্য একেবাৰে প্ৰাচীন। কিন্তু সময়ৰ সোঁতত এনে কিমান সাধু লোপ পালে, তাৰ সঠিক হিচাপ দিয়াটো টান। লক্ষ্মীনাথ বেজবৰুৱাদেৱেই পোন প্ৰথমে অসমীয়া সাধুকথাবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰে।

অসমীয়া সাধুবোৰ মূলতঃ থলুৱা, সংস্কৃতৰ পৰা অহা আৰু বিদেশীমূলৰ। অসমীয়া থলুৱা সাধুবোৰৰ ভিতৰত 'বান্দৰ শিয়ালৰ সাধু', 'তেজীমলা', 'কুকুৰীকণা জোঁৱাই', 'টেটোন', 'বুঢ়া-বুঢ়ীৰ সাধু', চিলনী জীয়েকৰ সাধু' আদিৰ উপৰি আৰু যথেষ্ট সংখ্যক সাধু পোৱা যায়। সেইদৰে *পঞ্চতন্ত্ৰ, হিতোপদেশ* আদিৰ সাধুবোৰত সংস্কৃত সাহিত্যৰ প্ৰভাৱ পৰিছে। এই সাধুবোৰ ঘাইকৈ নীতিজ্ঞানমূলক। ইয়াৰ উপৰি কিছুমান সাধুৰ মূল জঁকাটো মধ্য এছিয়া বা ইউৰোপ আদি বিদেশীমূলৰ সাধুৰ সৈতে একে।

তদুপৰি, গ্ৰীচ দেশৰ 'ঈছপৰ সাধু' অসমীয়া সাহিত্যতো অতি জনপ্ৰিয়।

অসমীয়া সাধুবিলাক মূলতঃ জন্তু সম্পৰ্কীয়, অলৌকিক, ***টেটোন*** আৰু সৃষ্টি সম্পৰ্কীয়, হাস্যৰসাত্মক আদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি। তদুপৰি সাঁথৰ-সাধু নামৰ একশ্ৰেণী সাধুও আছে, যিবোৰত একোটা সাঁথৰৰ অন্তৰালত একোটি কাহিনী থাকে; যেনে—

এক ক'লোঁ লেখি
এক ক'লোঁ দেখি
হা-দৈ বোলোঁতে ওলাল হাৰডাল ;
এই বেলিহে পৰিল
ফৰিঙৰ মৰণৰ পাল।

বিখ্যাত 'সৰবজান' সাধুটোৰ গুৰি এই সাঁথৰটোৱেই। এনে ভালেমান অসমীয়া সাঁথৰ-সাধুও আছে।

অসমীয়া সাধুকথাবিলাকত প্ৰকৃতি জগতৰ উপাদান; যেনে— জীৱ-জন্তু, চৰাই, গছ আদিয়ে এক বুজন অংশ অধিকাৰ কৰি আছে। উদাহৰণস্বৰূপে— 'বান্দৰ আৰু মেকুৰী', 'শিয়ালৰ সাধু', 'বাঘ আৰু কেঁকোৰা' আদি এই শ্ৰেণীৰ সাধু। আকৌ, 'চম্পাৱতী', 'তেজীমলা' আদিত অলৌকিকতাৰ অসামান্য বিকাশ দেখা যায়। তেনেদৰে 'সাতভাই', 'কুকুৰীকণা জোঁৱাই', 'বামুণৰ লিটিকাই' আদি সাধুকথা খুহুটীয়া হাস্যৰসেৰে পূৰ্ণ। তদুপৰি আৰু একশ্ৰেণীৰ সাধু আছে যিবোৰ ঠগ তথা টেঙৰ মানুহক লৈ ৰচিত; যেনে— 'টেটোন', 'লটকন' আদি। আকৌ 'অ', ফুল অ' ফুল নুফুল কিয়?', 'পৰুৱা আৰু ভেকোলা' আদিৰ দৰে দীঘলীয়া গীত জাতীয় সাধুকথাও অসমীয়া সাহিত্যত পোৱা যায়। এনেদৰে বিবিধ প্ৰকাৰৰ সাধুকথাৰে অসমীয়া জনসাহিত্যৰ ভঁৰাল ঠাহ খাই আছে।

সাধুকথা জনজীৱনৰ প্ৰতিচ্ছবি। এটা জাতিৰ সামাজিক জীৱন, লোকবিশ্বাস আৰু বুদ্ধি-বৃত্তিৰ বাতৰি সাধুকথাত ঠাহ খাই আছে। পৃথিৱীৰ সকলো জাতিৰ সাহিত্যৰ বুৰঞ্জীতেই সাধুকথাৰ স্থান আৰু মূল্য বহুত ওপৰত।



টেটোন ঃ ঠগ, দুষ্ট স্বভাৰৰ মানুহ।



চিন্তা-চৰ্চা কৰক — ৫.১

সাধুকথা আৰু ইয়াৰ বিভিন্ন শ্ৰেণীৰ বিষয়ে খৰচি মাৰি জনাৰ লগতে অসমত কি কি শ্ৰেণীৰ সাধুকথাৰ প্ৰচলন আছে সেই সম্পৰ্কে শশী শৰ্মাৰ *অসমৰ সাধুকথা* আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ *অসমীয়া জন-সাহিত্য*নামৰ পুথি দুখনি পঢ়ি এটি টোকা প্ৰস্তুত কৰিবলৈ যত্ন কৰক।

.....

.....

.....

.....

.....

.....

.....

.....

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক —

ক) অসমীয়া লোকসাহিত্যক প্রধানতঃ তিনিটা ভাগত ভাগ কৰা হৈছে।

খ) হুদুম পূজাৰ গীত, মহোহো গীত আদি লোকবিশ্বাসৰ ভেটিত ৰচিত হোৱা ভক্তিমূলক গীত।

গ) বিভিন্ন কর্মক কেন্দ্র কৰি সৃষ্টি হোৱা গীতবোৰকে 'কর্ম বিষয়ক গীত' বোলা হয়।

ঘ) বৰফুকনৰ গীত, জয়মতী কুঁৱৰীৰ গীত আদি বুৰঞ্জীমূলক মালিতাৰ উদাহৰণ।

ঙ) ফকৰা-যোজনাক ডাকৰ বচন বুলিও কোৱা যায়।

.....

প্রশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক—

ক) বিষয়বস্তু অনুসৰি লোকগীতসমূহক ..... বহল ভাগত ভগোৱা হৈছে।

খ) শ্রম-লাঘৱ আৰু কাম কৰোঁতে আনন্দ লভিবলৈ.....গীত গায়।

গ) সাধুকথাবোৰক সমাজ বিৱর্তনৰ .....বুলিব পাৰি।

৫.৪ ডাকৰ বচন

ডাকৰ বচনৰ লগত অসমীয়া জাতীয় জীৱনৰ সম্বন্ধ গভীৰ। সেয়ে কোৱা হয়— ডাকৰ বচন অসমীয়া জন-জীৱনৰ ব্যৱহাৰিক জ্ঞানৰ এখন মৌখিক কোষ, 'ডাকৰ বচন বেদৰ বাণী'। ভাৰতীয় মানুহৰ দৃষ্টিত বেদ-বাক্যৰ মূল্য যিমান, অসমীয়া জনজীৱনতো ডাকৰ বচনৰ মূল্য সিমান। ডাকৰ বচনৰ শিক্ষা বাস্তৱ জীৱনৰ শিক্ষা। উল্লেখযোগ্য যে ডাকৰ বচনসমূহ কেৱল অসমতেই নহয় বংগদেশ, বিহাৰ আদি ঠাইতো প্রচলিত। ডাক এজন মানুহ নে ডাকৰ বচন নৈর্ব্যক্তিক ৰচনা সেই বিষয়েও মতভেদ আছে। বহুতে বিশ্বাস কৰে যে বৰপেটাৰ ওচৰৰ লেহিডঙৰা গাঁৱত ডাকৰ জন্ম হৈছিল—

লেহিডঙৰা ডাকৰ গাঁও।
সাতশ সাতোটা পুখুৰীৰ নাও।।

আনহাতে কোনোৱে কয় যে ডাক এজন ব্যক্তি নহয়, একশ্রেণীৰ বৌদ্ধ তান্ত্রিক সাধকহে।

তদুপৰি ইয়াৰ ৰচনাৰ সময় সম্পর্কেও খাটাংকৈ কোৱা টান। এই বিষয়েও মতভেদ বিদ্যমান। তথাপি বতর্মানপ্রাপ্ত ডাক-ভণিতাসমূহৰ প্রচলিত ভাষাৰ গঢ়টো ষোড়শ-সপ্তদশ শতিকাৰ আগৰ নহয় বুলি সত্যেন্দ্রনাথ শর্মাই মতপোষণ কৰিছে। তেখেতে আৰু মন্তব্য কৰিছে যে— ডাকৰ বচনৰ মূল জুমুঠিটো বহু আগতেই সজা হৈছিল যদিও সময়ৰ সোঁত, অভিজ্ঞতাৰ পৰিসৰ বৃদ্ধি, জ্ঞানৰ চর্চা আৰু বহুতো কথাই মূল জুমুঠিটোত ৰং-মাটি সানিবলৈ সুবিধা দিছে আৰু ষোড়শ-সপ্তদশ শতিকাত লিপিবদ্ধ ৰূপ লাভ কৰিছে। উল্লেখযোগ্য যে ডাকৰ ভণিতা নথকা অনেক কথাও মানুহে ডাকৰ বচন বুলি ক'ব খোজে।

ডাকৰ বচনসমূহ বিষয়বস্তু অনুসৰি কেইবাটিও ভাগত ভাগ কৰিব পাৰি। পূর্বতে এনে কোনো নির্দ্ধাৰিত ভাগ আছিল নে নাই সেয়া জনাৰ সুবিধা নাই, যদিও কিছুমান পুৰণি সাঁচিপতীয়া পুথিত ডাকৰ বচনবোৰ বিষয় অনুযায়ী লিখা আছে। এতিয়ালৈকে প্রাপ্ত ডাকৰ বচনৰ পুথিবোৰত ষোল্লটা বিষয় সন্নিৱিষ্ট হৈছে; কিন্তু বিষয়বস্তু অনুসৰি ভাগ কৰিলে আৰু কিছুমান বিষয় ওলাব। পোনতে জন্ম প্রকৰণত প্রসূতিয়ে পালিবলগীয়া বিধিসমূহ সন্নিৱিষ্ট কৰিছে। উদাহৰণস্বৰূপে—

অহিত শিশুক যেন নেদেখি।
অভ্যন্তৰে হৈবে সুহৃদ ৰাখি।।
পূবলৈ শিৰকৈ শিশু শুৱাই।
পোৱাতী ৰাখিব অগ্নি জ্বলাই।।
শয্যাৰ কাষত থাকিব অস্ত্র।
সাৱধানে মাৰে ৰাখিব বস্ত্র।।
গৃহ চাৰি চুকে দ্বাৰ মুখত।
বচ, সিজু, বগৰী ৰুইব সতত।।

ডাকৰ বচনত এখন পুৰণি ঘৰৰ চিত্রও জিলিকি উঠিছে। ঘৰখনৰ ক'ত কি ৰুব লাগে, ক'ত কি সাজিব লাগে তাৰ সকলো দিহা ডাকৰ বচনৰপৰা পাব পাৰি। ঘৰৰ ভেটি আৰু বাৰী সম্পর্কীয় সকলো কথাৰ দিহা ইয়াত পোৱা যায়। যথা—

পূবে ভঁৰাল, পশ্চিমে গঁৰাল।
উত্তৰে বাঁহ, দক্ষিণে হাঁহ।।
দাঁতিত কঁঠাল, মাজত আম।
তেবে জানিবা বাৰীৰ কাম।।

অসম এখন কৃষি প্রধান দেশ। আহু আৰু শালি অসমীয়া মানুহৰ ঘাই খেতি। শালি খেতিৰ বিষয়ে বহুতো কথা ডাকৰ বচনত পোৱা যায়। খেতিৰ সময় সম্পর্কে কৈছে —

পুহত আহু জেঠত শালি।
তেবেহে জানিবা গৃহস্থালি।।

আকৌ, খেতিৰ যথাসর্বস্ব নির্ভৰ কৰে গৰুহালৰ ওপৰত। ডাকে সেইবাবে গৰুৰ লক্ষণ নির্ণয় কৰিবলৈ পাহৰি যোৱা নাই—

গৰু কিনিবা চিকণ জালি।
দুই-চাৰি দন্তীয়া ভালি।।
হৰিণৰ নিচিনা জিবা কাণ।
তেনে বলধক বিচাৰি আন।।

ডাকৰ বচন যথার্থতে ব্যৱহাৰিক বিজ্ঞানৰ হাত-পুথি বা নিদান বুলিলেও বঢ়াই কোৱা নহয়। দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা বিভিন্ন আহিলা পাতিৰ জোখ-মাখৰ পৰা আৰম্ভ কৰি ৰন্ধা-বঢ়া, ঔষধপাতি, ধর্মপ্রকৰণ, ৰাজনীতি প্রকৰণ, গৃহিণী লক্ষণ, জ্যোতিষ প্রকৰণ আদি সকলো দিশতেই ডাকৰ বচন পৰিব্যাপ্ত হৈ আছে। বিভিন্ন ৰোগৰ ঔষধৰ বিষয়েও ইয়াত উল্লেখ আছে। উদাহৰণস্বৰূপে—

জালুক পিপলী আদা খায়।
ডাকে বোলে তাৰ কাহ পলায়।।

ব্যৱহাৰিক জীৱনত প্রয়োজন হোৱা উল্লিখিত বিষয়সমূহৰ উপৰি জাগতিক জীৱনত প্রয়োজনীয় কিছুমান নীতি-বাক্য তথা ধর্ম, অর্থ, কাম, মোক্ষ — এই চাৰি পৰমার্থৰ ভিতৰত অর্থ আৰু কাম বিষয়ক ডাকৰ বচনো আছে। ডাকৰ বচনৰ ভাষা আৰু বিষয়বস্তুৰ ব্যাপকতালৈ চাই ডাক নামৰ কোনো ব্যক্তি বিশেষৰ নামত এইবোৰ আৰোপ নকৰি জাতীয় জীৱনৰ সামূহিক অভিজ্ঞতাৰ পৰিণতি বুলি কোৱাই ভাল। মুঠতে ডাকৰ বচন অসমৰ কৃষিজীৱী গাঁৱলীয়া সমাজৰ আদৰৰ বস্তু আৰু লগতে লোকসাহিত্যৰো অমূল্য সম্পদ।

৫.৫ মন্ত্র-সাহিত্য

অতি প্রাচীন কালৰেপৰা অসম দেশ তন্ত্র-মন্ত্রৰ বাবে বিখ্যাত আছিল। বিশেষকৈ খ্রীষ্টীয় নৱম শতিকামানৰ পৰাই কামৰূপ তন্ত্র-মন্ত্র আৰু ইন্দ্রজাল-বিদ্যাৰ কেন্দ্রস্থান হৈ পৰে। ইয়াৰ উল্লেখ ষোড়শ শতিকাত ৰচিত *যোগিনী*-তন্ত্রত পোৱা যায়। বংগদেশ, উৰিষ্যা, পঞ্জাব আদি ঠাইত মন্ত্রৰ প্রচলন থাকিলেও সৰহভাগ মন্ত্র কামৰূপতে ৰচিত হৈছিল। অসমীয়া ভাষাত অগ্নিবাণ, ব্রহ্ম-কৰতি, পানী-কৰতি, ৰাম-কৰতি, গু-কৰতি, পক্ষীৰাজ-মন্ত্র, সুদর্শন-মন্ত্র, সর্বঢাক-মন্ত্র, বীৰাজৰা-মন্ত্র, ধৰণী-মন্ত্র, পুষ্পজৰা-মন্ত্র, মোহিনী-মন্ত্র আদি অসংখ্য মন্ত্র পুথি আছে। এই মন্ত্রসমূহ ঘাইকৈ অথর্ব-বেদ, বৌদ্ধ আৰু হিন্দু ধর্মৰ তন্ত্র-শাস্ত্র আৰু জনজাতিসমূহৰ বিশ্বাসৰ সংমিশ্রণত সৃষ্টি হৈছে।

মন্ত্রসমূহৰ ৰচনাকাল সঠিককৈ নির্ণয় কৰাটো টান। পণ্ডিতসকলে খ্রীষ্টীয় দশম শতিকামানৰ পৰা পঞ্চদশ শতিকামানৰ ভিতৰত মন্ত্রবোৰ ৰচিত বুলি অনুমান কৰে। মন্ত্রবোৰৰ ৰচকৰ নামো পোৱা নাযায়। সম্ভৱতঃ এসময়ত মন্ত্রবোৰ বিশেষ কিছুমান মানুহৰ মুখে মুখে ৰচিত আৰু প্রচলিত হৈ আহি কালক্রমত লিপিবদ্ধ হয়গৈ। তদুপৰি মন্ত্রবোৰ দেৱতা-অপদেৱতা, ভূত-প্রেত, খেতৰ-ডাইনী, যখ-যখিনী আদিৰ কু-প্রভাৱৰ ফলত হোৱা বেমাৰ-আজাৰ, শত্রু-বৃদ্ধি, ধন-নাশ আদি দূৰ কৰাৰ উদ্দেশ্যে প্রয়োগ কৰা হয়।

আন লোকসাহিত্যবোৰৰ দৰে মন্ত্রবোৰৰ পৰাও অসমীয়া লোকবিশ্বাস, আচাৰ-ব্যৱহাৰ,

ধর্ম-নীতি আদিৰ বিষয়ে ভালেমান কথা জানিব পাৰি। মন্ত্ৰ-সাহিত্যত *ৰামায়ণ, মহাভাৰত* আৰু পুৰাণৰ কাহিনীও নানা ৰূপত সন্নিৱিষ্ট হৈছে। কিছুমান মন্ত্ৰত সৃষ্টিতত্ত্বৰ আভাস পোৱা যায়। সিদ্ধিৰ কাৰণে মন্ত্ৰত গুৰু আৰু কামাখ্যা গোসাঁনীক চিন্তা কৰা হয়, যেনে—"সিদ্ধ গুৰুৰ পাৱ, ৰক্ষা কৰা কামৰূপ কামাখ্যা মাৱ।" বহু মন্ত্ৰত ঘৰুৱা জীৱনৰ চিত্ৰও পোৱা যায়। 'বশীকৰণ' মন্ত্ৰেৰে স্বামী বা স্ত্ৰীক প্ৰয়োজন অনুসাৰে বশ কৰা হয়। মানুহৰ ৰোগৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায়ো মন্ত্ৰপুথিত পোৱা যায়। কিছুমান মন্ত্ৰ সাধনৰ বাবে ফু-মৰা, পানী-ছটিওৱা, বিহলঙনি বা এড়া গছৰ পাতেৰে ৰোগীক জৰা আদি কাৰ্য মন কৰিবলগীয়া।

মন্ত্ৰবোৰ গদ্য আৰু পদ্যত ৰচিত হ'লেও পদ্যত ৰচিত মন্ত্ৰৰ সংখ্যাই সৰহ। ইয়াৰ গদ্যও পদ্যধৰ্মী। ৰচনাত কথিত ভাষাৰ প্ৰভাৱ আছে। মন্ত্ৰবোৰৰ মাজতো সাহিত্যিক সৌন্দৰ্যৰ আভাস পোৱা যায়; যেনে — 'সুদৰ্শন চক্ৰ' মন্ত্ৰত সুদৰ্শনৰ প্ৰভাৱত —

পৃথিৱী লৰিলা মেৰুগিৰি তলিলেক
সাগৰ টলিলা মন্দৰ লৰিলা
কম্পিলা স্বৰ্গ মণ্ডল।

এনে বৰ্ণনাত অদ্ভুত বা ভয়ানক ৰসৰ আভাস স্পষ্ট। তদুপৰি, কিছুমান মন্ত্ৰত — 'ওঁ, হ্ৰীং, উৎ,আৎ,লৎ, ফট্, স্বাহা' আদি ধ্বনি উচ্চাৰণ কৰি মন্ত্ৰৰ গাম্ভীৰ্য বঢ়োৱা হৈছে। মন্ত্ৰৰ প্ৰতি পৰ্বত-ভৈয়ামবাসী, হিন্দু-মুছলমান প্ৰায় সকলো শ্ৰেণীৰ মানুহৰ কম-বেছি পৰিমাণে বিশ্বাস আছে। এইদৰে মন্ত্ৰই প্ৰাচীন কালৰেপৰা বিভিন্ন সম্প্ৰদায় বা ভাষা-ভাষীৰ মাজত যোগসূত্ৰ স্থাপন কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

ক) মন্ত্ৰসমূহত ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনী নানা ৰূপত সন্নিৱিষ্ট হৈছে।

খ) ডাকৰ বচনসমূহত প্ৰায় ত্ৰিশটা বিষয় সন্নিৱিষ্ট হৈছে।

.....

প্ৰশ্ন নং ৪ ঃ তলৰ কোনটো মন্ত্ৰ-সাহিত্যৰ অন্তৰ্ভুক্ত নহয়—

(ক) পানী-কৰতি (খ) ৰাম-কৰতি (গ) বাৰমাহী গীত (ঘ) অগ্নিবাণ

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া লোকসাহিত্যৰ বিষয়ে আলোচনা কৰাৰ পাছত আমি কেইবাটাও গুৰুত্বপূৰ্ণ দিশৰ কথা জানিব পাৰিলোঁ।

- লিখিত সাহিত্য সৃষ্টি হোৱাৰ আগৰে পৰাই অসমীয়া ভাষাত মৌখিকভাৱে গীত-মাত, সাধুকথা, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন আদি জনসাধাৰণৰ মাজত প্ৰচলিত আছিল।
- তন্ত্ৰ-মন্ত্ৰও প্ৰাচীন কালৰেপৰা অসমত প্ৰচলিত আছিল। প্ৰাচীন কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনাজাত।



৫.৭ অধিক জানিবলৈ

১) গোস্বামী, প্ৰফুল্লদত্ত (১৯৯৪); *অসমীয়া জন-সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ।
২) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।
৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৪) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।
৫) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।



৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ ঙ) অশুদ্ধ
২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) তিনিটা খ) কৰ্মবিষয়ক গ) অলিখিত ইতিহাস
৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ
৪ নং প্ৰশ্নৰ উত্তৰ ঃ (গ)



৩.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) আখ্যানমূলক গীত বুলিলে কি বুজে?

খ) মহোহো গীত এবিধ ভক্তিমূলক গীত হয়নে?

প্ৰশ্ন ২ ঃ খালি ঠাই পূৰণ কৰক—

ক) চিকণ সৰিয়হৰ গীত, বৰফুকনৰ গীত আদি ..... মালিতাৰ উদাহৰণ।

খ) শ্ৰম-লাঘৱ আৰু কাম কৰোঁতে আনন্দ লভিবলৈ.....গীত গায়।

গ) 'কাহিনী গীত' বা 'মালিতা'সমূহ.....গীত।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া কাহিনীগীত বা বেলাডৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখক।

প্ৰশ্ন ২ ঃ মিশ্ৰ অসমীয়া সাহিত্যৰ এটি চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক—

(৩) মন্ত্ৰ-সাহিত্য (৩) বিয়াগীত

(৪) ফকৰা-যোজনা (৫) ডাকৰ বচন

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া লোকসাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমীয়া লোকগীতৰ শ্ৰেণীবিভাজন কৰি প্ৰত্যেকটো বিভাজনৰ উদাহৰণ দি বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ সাধুকথা বুলিলে কি বুজে? অসমীয়া সাধুকথা সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ডাকৰ বচন কি? অসমীয়া সমাজ জীৱনত ডাকৰ বচনৰ প্ৰভাৱ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক।

*** ***** ***